অধ্যায় ৭ ঃ লক্ষ্মীনাথ বেজবৰুৱা ঃ *মোৰ জীৱন সোঁৱৰণ*
(প্ৰথম ভাগ ঃ প্ৰথম অধ্যায়)

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ লক্ষ্মীনাথ বেজবৰুৱা ঃ জীৱন আৰু কৃতি

৭.৪ আত্মজীৱনীৰ স্বৰূপ

৭.৪.১ *মোৰ জীৱন সোঁৱৰণ* ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জীত ইয়াৰ স্থান

৭.৪.২ *মোৰ জীৱন সোঁৱৰণ* ঃ সমাজ বাস্তৱতাৰ তথ্য

৭.৪.৩ *মোৰ জীৱন সোঁৱৰণ* ঃ হাস্য-ব্যঙ্গ

৭.৪.৪ বেজবৰুৱাৰ গদ্যৰীতি

৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৬ অধিক জানিবলৈ

৭.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৭.৮ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আত্মজীৱনী কি আৰু ইয়াৰ বৈশিষ্ট্যৰাজি সম্পৰ্কে অৱগত হ'ব
- বেজবৰুৱাৰ সাহিত্য প্ৰতিভা আৰু সাহিত্য সৃষ্টিৰ প্ৰেৰণাৰ বিষয়ে জানিব পাৰিব
- *মোৰ জীৱন সোঁৱৰণ*ৰ সামগ্ৰিক বিষয়বস্তুৰ পৰিচয় পাব
- বিভিন্ন দৃষ্টিকোণৰ পৰা *মোৰ জীৱন সোঁৱৰণ*ৰ সাহিত্যিক সৌন্দৰ্য বিশ্লেষণ কৰিব পাৰিব
- বেজবৰুৱাৰ বিশিষ্ট ৰচনাৰীতিৰ বিষয়ে জানিব পাৰিব।

৭.২ পৰিচয়

দ্বিতীয় ষাণ্মাসিকৰ দ্বিতীয় পাঠ্যবিষয় 'অসমীয়া গদ্য সাহিত্য'ৰ এইটো সপ্তম অধ্যায়। ইয়াৰ শীৰ্ষক 'লক্ষ্মীনাথ বেজবৰুৱা ঃ *মোৰ জীৱন সোঁৱৰণ* (প্ৰথম ভাগ ঃ প্ৰথম অধ্যায়)। ইয়াত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মজীৱনীৰ এটা খণ্ডৰ আলোচনা আগবঢ়োৱা হৈছে। এই পাঠৰ আলোচনাৰ মাধ্যমেদি আপুনি গদ্য লেখক লক্ষ্মীনাথ বেজবৰুৱাৰ গদ্য ৰচনাৰ বিভিন্ন দিশ আৰু বৈশিষ্ট্যৰ লগত পৰিচিত হ'ব।

৭.৩ লক্ষ্মীনাথ বেজবৰুৱা ঃ জীৱন আৰু কৃতি

শিৱসাগৰৰ এটি সম্ভ্ৰান্ত পৰিয়ালত ১৮৬৪ চনত জন্ম হোৱা বেজবৰুৱাৰ পিতৃ দীননাথ বেজবৰুৱা আছিল আহোম ৰজা পু�ৰন্দৰ সিংহৰ ৰাজবৈদ্য। পৰৱৰ্তী কালত তেওঁ কোম্পানী চৰকাৰৰ এগৰাকী উচ্চ পদস্থ বিষয়া হোৱা বাবে চাকৰি সূত্ৰে এঠাইৰ পৰা আন এঠাইলৈ বদলি হৈ ফুৰিছিল। সেয়েহে লক্ষ্মীনাথেও শৈশৱ কালটো অসমৰ বিভিন্ন ঠাইত অতিবাহিত কৰাৰ সুযোগ পাইছিল। তেওঁলোকৰ পৰিয়ালটো আছিল অতি নৈষ্ঠিক বৈষ্ণৱ পৰিয়াল। বৈষ্ণৱ পন্থাৰ সকলো উৎসৱ-পাৰ্বন ঘৰত অনুষ্ঠিত হোৱাৰ উপৰি সমগ্ৰ ঘৰখনতে সাত্ত্বিক বাতাবৰণ এটা বিৰাজ কৰিছিল। প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাত উচ্চ শিক্ষাৰ গ্ৰহণৰ বাবে তেওঁ যি যাত্ৰা আৰম্ভ কৰিলে সিয়েই তেওঁৰ জীৱনৰ গতিপথ সম্পূৰ্ণৰূপে সলনি কৰি দিয়ে। পাশ্চাত্য চিন্তা আৰু ভাবাদৰ্শৰ লগত হোৱা পৰিচয়, বঙ্গীয় নৱজাগৰণৰ সংস্পৰ্শ আৰু দেশাত্মবোধে তেওঁৰ মন-মগজুত গভীৰভাৱে ক্ৰিয়া কৰাৰ ফলশ্ৰুতিতেই অসমীয়া সাহিত্যত 'বেজবৰুৱা যুগ' নামৰ এক যথার্থ আধুনিক যুগৰ সৃষ্টি সম্ভৱপৰ হয়। অৰ্ধ-শতিকাজোৰা তেওঁৰ লেখক জীৱনে অসমৰ সাহিত্য জগতত সম্পূৰ্ণ আধিপত্য বিস্তাৰ কৰিছিল আৰু বহুতৰ বাবে তেওঁ হৈ পৰিছিল পথ-প্ৰদৰ্শক তথা প্ৰেৰণাৰ উৎস। পাশ্চাত্য দৰ্শনৰ লগত হোৱা পৰিচয়ে তেওঁক যেনে দৰে বস্তুনিষ্ঠ দৃষ্টিভঙ্গীৰে সমৃদ্ধ কৰিলে তেনেদৰে ব্ৰাহ্ম ধৰ্মৰ লগত হোৱা পৰিচয়ে তেওঁক জীৱন সংক্ৰান্তীয়, সমাজ সংস্কাৰ সম্পৰ্কীয় কথাবোৰ নতুনকৈ চাবলৈ প্ৰেৰণা যোগালে। ব্ৰাহ্ম ধৰ্মৰ লগত স্পষ্ট পৰিচয় এটা হোৱাৰ ক্ষেত্ৰত প্ৰধান যোগসূত্ৰ আছিল ঠাকুৰ পৰিয়ালৰ কন্যা প্ৰজ্ঞাসুন্দৰীৰ লগত হোৱা বৈবাহিক সম্পৰ্ক।

বেজবৰুৱাই ১৯২১ চনত অসম ছাত্ৰ সম্মিলনৰ অধিৱেশনত আৰু ১৯২৪ চনত অসম সাহিত্য সভাৰ অধিবেশনত সভাপতিত্ব কৰে। সমসাময়িক সামাজিক-সামাজিক-সাংস্কৃতিক পৰিৱেশ আৰু পৰিয়ালৰ ধৰ্মীয় বাতাবৰণে বেজবৰুৱাৰ ব্যক্তিত্বক এনেদৰে গঢ় দিছিল যে কেৱল সাহিত্যিক প্ৰতিভাই নহয় সমগ্ৰ সমাজক প্ৰভাৱিত কৰিব পৰা এক অভ্ৰভেদী প্ৰকৃতিৰ ধৰ্ম আৰু দৰ্শনৰ যোগেদি আধুনিক মানুহক অনুপ্ৰাণিত কৰাৰ ক্ষমতা আহৰণ কৰিছিল। শঙ্কৰদেৱ প্ৰাচীন অসমৰ কেৱল এজন ধৰ্ম প্ৰৱৰ্তকেই নহয় অসামান্য প্ৰতিভাশালী কবি, শিল্পী, দাৰ্শনিক আৰু সংস্কৃতি নিৰ্মাতা। সেয়া তেওঁ পোনপ্ৰথম বাৰৰ বাবে তথ্য আৰু যুক্তিৰে প্ৰতিষ্ঠা কৰি দেখুৱালে। এয়া আছিল অসমৰ জাতীয় জীৱনৰ প্ৰতি তেওঁ কৰা অনেক মহৎ কৰ্মৰ অন্যতম। শঙ্কৰদেৱৰ অসামান্য ব্যক্তিত্ব আৰু সাহিত্যই বেজবৰুৱাক গভীৰভাৱে প্ৰভাৱিত কৰাৰ স্বাক্ষৰ তেওঁৰ বিভিন্ন ৰচনাত অনেক সময়ত দেখিবলৈ পোৱা যায়। কিন্তু জীৱনত বৈষ্ণৱ ধৰ্মক সাৰোগত কৰিলেও বেজবৰুৱাই সকলো ধৰ্মৰে সত্যক স্বীকাৰ কৰিছিল। এয়াই তেওঁৰ যুক্তিবাদী আৰু বিশাল হৃদয়ৰ স্বৰূপ।

বেজবৰুৱাৰ দৃষ্টিত সাম্ৰাজ্যবাদী হাতোৰা আৰু বিদেশী ভাষা-সংস্কৃতিৰ আগ্ৰাসনে অসমৰ ৰাজনীতি-অৰ্থনীতি-সমাজ-সাহিত্য-ভাষা সকলোলৈকে ভয়াৱহ পৰিৱেশ কঢ়িয়াই আনিছিল। আত্মচেতনাহীন অসমীয়াই হীনমন্যতাত ভুগি নিজৰ বিপদ নিজেই মাতি অনা সঙ্কটময়

কালত, বেজবৰুৱাই নিজে এজন দুঃসাহসী সৈনিক হোৱাই নহয়, যুঁজাৰু মানসিকতাৰ এনে এদল যুৱক সৃষ্টি কৰিলে যে তেওঁলোক সকলোৱে মিলি সমগ্ৰ অসমীয়া সাহিত্য আৰু ভাষাত প্ৰাণ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ল, কাৰণ "স্বদেশ প্ৰেম আছিল বেজবৰুৱাৰ এক মজ্জাগত চেতনা।" জীৱনৰ যথেষ্ট সময় অসমৰ বাহিৰতে কটালেও তেওঁৰ অসমপ্ৰেমী মনটো স্বদেশৰ ঐতিহ্য ৰক্ষাৰ বাবে আছিল সম্পূৰ্ণ ৰূপে দায়বদ্ধ। সেয়েহে অসমীয়া মানুহৰ আত্মবল আৰু আত্মপ্ৰত্যয় জগাই তুলিবলৈ তেওঁ সৰ্বতোপ্ৰকাৰে শক্তিশালী ভূমিকা গ্ৰহণ কৰিছিল। স্বদেশপ্ৰেমী বেজবৰুৱাৰ এই সামাজিক চেতনাই আছিল প্ৰকৃতাৰ্থত তেওঁৰ সাহিত্যৰো প্ৰধান প্ৰেৰণা। এই প্ৰসঙ্গত বাণীকান্ত কাকতিয়ে কৈছে— "তেওঁৰ সকলো ৰচনাৱলী এই স্বদেশানুৰাগৰ বোলেৰে বোলোৱা। তেওঁৰ ধেমেলীয়া ৰচনাৰ পৰা আৰম্ভ কৰি শেষৰ ডোখৰৰ আধ্যাত্মিক ৰচনাৱলীলৈকে সকলোৰে ঐক্যসূত্ৰ এই স্বদেশানুৰাগ, এই স্বদেশ প্ৰীতিতেই। তেওঁৰ ভাৱ-ভাষা সকলো এই অনুৰাগৰেই অনুৱৰ্তী। স্বদেশপ্ৰীতিয়েই বেজবৰুৱাৰ সাহিত্যৰ মূলমন্ত্ৰ।"

সমাজ আৰু সাহিত্যলৈ বহুমুলীয়া বৰঙণি আগবঢ়োৱা এই মহান অসমীয়া ব্যক্তিগৰাকীয়ে ১৯৩৮ চনৰ মাৰ্চ মাহৰ ২৬ তাৰিখে ডিব্ৰুগড়ত থকা দ্বিতীয় কন্যা ৰত্না বৰুৱাৰ ঘৰত নশ্বৰ দেহ ত্যাগ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু কৃতিৰ বিষয়ে চমু আভাস দিয়ক। (১৫০টা শব্দৰ ভিতৰত)

৭.৪ আত্মজীৱনীৰ স্বৰূপ

যিকোনো এজন ব্যক্তিৰ জীৱন আৰু ব্যক্তিত্বৰ পৰিচয় পাব পৰা এবিধ সাহিত্য কৰ্ম হ'ল আত্মজীৱনী। সমালোচক ৰয় পাস্কেলে আত্মজীৱনীৰ বৈশিষ্ট্যসমূহ লক্ষ্য কৰি তেওঁৰ *ডিজাইন এণ্ড্ ট্ৰুথ্ ইন্ অট'বায়'গ্ৰাফি (Design and truth in Auto-Biography)* গ্ৰন্থত ইয়াৰ সংজ্ঞা আগবঢ়াইছে এনেদৰে— আত্মজীৱনী এনে এবিধ জীৱন-বৃত্তান্ত, য'ত লেখকে তেওঁৰ জীৱনৰ আৰু মনৰ এটি বিশেষ অৱস্থাত নিজকে আৰু নিজৰ জীৱনৰ কথাবোৰ যেনেকৈ বুজে আৰু গ্ৰহণ কৰে, তেনেকৈ অঙ্কন কৰে। অৰ্থাৎ কোনো এজন ব্যক্তিয়ে তেওঁৰ জীৱনৰ আৰু মনৰ বিশেষ এক অৱস্থাত তেওঁৰ এৰি অহা দিনবোৰৰ ঘটনাৱলী ৰোমন্থন কৰি ইয়াত লিপিবদ্ধ কৰে। সেয়েহে আত্মজীৱনী হ'ল জীৱনৰ আৰু মনৰ নিৰ্দিষ্ট এক অৱস্থাত কৰা আত্মপ্ৰকাশ আৰু আত্মবিচাৰ। ডায়েৰী বা চিঠি-পত্ৰ আদি ইয়াৰ সমগোত্ৰীয় ৰচনা হ'লেও একে নহয়। কাৰণ ডায়েৰী বা চিঠি-পত্ৰত ব্যক্তিয়ে মনৰ তাৎক্ষণিক অনুভৱবোৰ প্ৰকাশ কৰে। আনহাতে, জীৱনী আৰু আত্মজীৱনীও হুবহু একে সাহিত্যকৰ্ম নহয়। জীৱনীত ব্যক্তি একোজনৰ জীৱনৰ প্ৰতিফলন ঘটে দ্বিতীয় এজনৰ দৃষ্টিভঙ্গীৰে, আনহাতে আত্মজীৱনীত ব্যক্তিৰ জীৱনৰ প্ৰতিফলন ঘটে নিজৰ

দৃষ্টিভঙ্গীৰে। অৰ্থাৎ আত্মজীৱনী হ'ল সম্পূৰ্ণভাৱে আত্মনিষ্ঠ সৃষ্টি। তদুপৰি যিকোনো মানুহেই নিজৰ ক্ষেত্ৰত সম্পূৰ্ণ ৰূপে নিৰপেক্ষ হোৱাটো যথেষ্ট কঠিন। সেয়েহে আত্মজীৱনীত প্ৰকাশিত সকলো কথাতে সমানে সত্যতা বা বস্তুনিষ্ঠতা ৰক্ষিত নহ'বও পাৰে। কিন্তু ইয়াৰ মাজেদি ব্যক্তি একোজনৰ ব্যক্তিগত আৰু সামাজিক দুয়োটা জীৱনৰ কথাই যিহেতু পোহৰলৈ আহে সেয়েহে সমাজৰ বিশিষ্ট ব্যক্তিসকলৰ আত্মজীৱনীসমূহৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা যথেষ্ট।

৭.৪.১ *মোৰ জীৱন সোঁৱৰণ* ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জীত ইয়াৰ স্থান

মোৰ জীৱন সোঁৱৰণ সাহিত্যৰথী বেজবৰুৱাৰ মনোৰম আত্মকথা। বেজবৰুৱাৰ *বাঁহী* আলোচনীৰ দ্বাদশ বছৰৰ ষষ্ঠ সংখ্যাৰ পৰা চতুৰ্দশ বছৰৰ তৃতীয় সংখ্যালৈকে এই আত্মজীৱনীখন প্ৰথমে ধাৰাবাহিকভাৱে প্ৰকাশিত হৈছিল। পৰৱৰ্তী সময়ত বেজবৰুৱাৰ মৃত্যুৰ পিছত ১৯৪৪ চনত পুথিৰ ৰূপত ই প্ৰকাশ পায়। আত্মজীৱনীখনত ১৮টা অধ্যায়ত তেওঁ জন্মৰ পৰা আৰম্ভ কৰি শিক্ষা জীৱন, কৰ্মজীৱন আদিৰ অনেক কথা লিপিবদ্ধ কৰিছে। এই ১৮টা অধ্যায় আকৌ প্ৰধানভাৱে তিনিটা অংশত বিভক্ত— প্ৰথম ভাগ, দ্বিতীয় ভাগ আৰু পৰিশিষ্ট। বেজবৰুৱাই আত্মজীৱনীখনৰ প্ৰথম ভাগ লিখি এই আত্মকথা লিখা বাদ দিছিল। কিন্তু শুভাকাংক্ষী বন্ধুসকলৰ নেৰানেপেৰা খাটনিত অৱশেষত পুনৰ বেজবৰুৱাই দ্বিতীয় ভাগ লিখিব লগাত পৰে। এই সম্পৰ্কত দ্বিতীয় ভাগৰ আৰম্ভণিতেই বেজবৰুৱাই স্পষ্টভাৱে এই কথা উল্লেখ কৰিছে— "মোৰ অতি মৰমৰ শ্ৰদ্ধাস্পদ বন্ধু এজনে অলপতে মোৰ পৰা লেখিম এই প্ৰতিশ্ৰুতি লৈহে এৰিছে। অগত্যা লেখিবলৈ আকৌ আৰম্ভ কৰিলোঁ।... ...মোৰ জীৱন-বৃত্তান্ত শুনি কাৰ কি উপকাৰ হয় হৈ থাওক, মোৰ আপত্তি নাই।"


বেজবৰুৱাই কাৰ কি উপকাৰ হয় হওক বুলি কোৱা কথাযাৰে তেওঁ অসমৰ সাহিত্য, বুৰঞ্জী আদিৰ বাবে যে এটা ডাঙৰ উপকাৰ কৰিলে সেয়া নিশ্চিত। ইয়াৰ প্ৰথম ভাগৰ প্ৰথম অধ্যায়ত তেওঁ স্বভাৱসুলভ আকৰ্ষণীয় ভঙ্গীৰে নিজৰ জন্মৰ সময়, জন্মস্থান বা ইয়াৰ সৈতে জড়িত আনুসঙ্গিক কথাবোৰ বৰ্ণনা কৰিছে। দেউতাক দীননাথ বেজবৰুৱাৰ ব্যক্তিত্ব, পুত্ৰসকলৰ প্ৰতি তেওঁ প্ৰদৰ্শন কৰা ব্যৱহাৰ, ঘৰৰ শাসন পৰিচালনা ব্যৱস্থা, বিবিধ সংস্কাৰ, সম্বন্ধীয় ককাক মাজুদ'লৰ বৰুৱাৰ সৈতে বেজবৰুৱা আৰু ভাতৃসকলৰ সম্পৰ্ক, বৰপেটা আৰু তেজপুৰত থকা সময়ৰ বহুকেইটা অভিজ্ঞতা আদি কথাবোৰ আত্মজীৱনীকাৰে ইয়াত অপ্ৰয়োজনীয় বাগাড়ম্বৰ নকৰি সুন্দৰ কথনশৈলীৰে উপস্থাপন কৰিছে। দ্বিতীয় অধ্যায়ত দেউতাকৰ চাকৰিসূত্ৰে লক্ষীমপুৰত থকা দিনসমূহৰ বিবিধ কথা, যেনে— দুৰ্গেশ্বৰ খনিকৰে সুতুলি সাজি দিয়া, সেই সুতুলিক লৈ ৰবিনাথৰ প্ৰতিক্ৰিয়া, বেজবৰুৱাৰ বিদ্যাৰম্ভ, সত্ৰৰ ভকতসকলৰ দ্বাৰা তেওঁলোকৰ ঘৰত ভাওনা প্ৰদৰ্শন, দীননাথ বেজবৰুৱাৰ বৈষ্ণৱ প্ৰীতি, মিছা অভিযোগত কাচাৰীত দেউতাকৰ দুৰ্গতি আদিৰ বিৱৰণ আগবঢ়াইছে। তৃতীয় অধ্যায়টো ৰচনা কৰিছে তেওঁৰ গুৱাহাটীত

থকা সময়ৰ কথাৰে। গুৱাহাটীৰ অপৰূপ প্ৰাকৃতিক সৌন্দৰ্যই বেজবৰুৱাৰ আবেগিক মনক অনিৰ্বচনীয় আনন্দ যোগাইছিল। ইয়াতে তেওঁৰ আনুষ্ঠানিক স্কুলীয়া শিক্ষা আৰম্ভ হয়। এই শিক্ষাই তেওঁৰ মনত সৃষ্টি কৰা বিৰূপ প্ৰতিক্ৰিয়াবোৰ ৰসালকৈ উপস্থাপনৰ লগে লগে শিক্ষা ব্যৱস্থাৰ ত্ৰুটিবোৰবো এনেদৰে ইঙ্গিত দি গৈছে যে সেয়া আত্মজীৱনীখনৰ যথেষ্ট গুৰুত্বপূৰ্ণ দিশ। ইয়াৰ পিছতেই তেওঁ শিৱসাগৰলৈ নৌকা যাত্ৰা কৰাৰ বিৱৰণ আগবঢ়াইছে। চতুৰ্থ অধ্যায়ত সন্নিৱিষ্ট হৈছে শিৱসাগৰৰ গৌৰৱ, সৌন্দৰ্য, ঐতিহ্য আৰু ইয়াত থকা দিশসমূহৰ জীৱনকথা। তেওঁলোকৰ ঘৰৰ বিভিন্ন উৎসৱ অনুষ্ঠান, আচাৰ ৰীতি, পৰিয়ালৰ সদস্যসকলৰ জীৱনৰ বিভিন্ন বিষয়, শিৱসাগৰত সেইসময়ত ঘটা বিবিধ ঘটনা আদিৰ বৰ্ণনাৰে ভৰপূৰ পঞ্চম আৰু ষষ্ঠ অধ্যায়। এইখিনিতেই বেজবৰুৱাৰ জীৱনৰ এটা পৰ্বৰ সামৰণি পৰিছে। সপ্তম অধ্যায় আৰম্ভ হৈছে তেওঁৰ কলিকতীয়া জীৱনৰ কাহিনীৰে। তেওঁৰ এই কলিকতীয়া যাত্ৰা কিন্তু সুখকৰ নহ'ল। কলিকতাৰ পৰিৱেশ আৰু শিক্ষা এটাৰো লগত নিজকে খাপ খুৱাব নোৱাৰি তেওঁ পুনৰ শিৱসাগৰলৈ উভটি আহিল। তেওঁ কিছুদিন এক অকৰ্মন্য জীৱন কটালে। কিছু দিনৰ পিছত অৱশ্যে তেওঁৰ মন ঘূৰিল আৰু দৃঢ় মন লৈ দ্বিতীয়বাৰৰ বাবে কলিকতালৈ গ'ল। কলিকতাত বেজবৰুৱাই আৰম্ভ কৰা এই দ্বিতীয় পৰ্বটোৱেই তেওঁৰ জীৱন সম্পূৰ্ণৰূপে সলনি কৰিলে। বলিনাৰায়ন বৰাই উলিওৱা *মৌ* আলোচনী বন্ধ কৰিবলৈ চেষ্টা চলোৱাৰে পৰা আৰম্ভ কৰি গুণাভিৰাম বৰুৱাৰ ঘৰলৈ যোৱালৈকে অনেক কথা তেওঁ এই অধ্যায়ত সন্নিৱিষ্ট কৰিছে। অ. ভা. উ. সা. স. (অসমীয়া ভাষা উন্নতি সাধিনী সভা) কাৰ্যপন্থা, *জোনাকী*ৰ প্ৰকাশ, ইয়াৰ গতি প্ৰকৃতি, *জোনাকী*ত তেওঁ কৰা সাহিত্য চৰ্চাৰ উপৰি আন অসমীয়া ছাত্ৰসকলৰ সাহিত্য সাধনাৰ কথাবোৰ কম পৰিসৰতে তেওঁ ইয়াত বৰ্ণনা কৰিবলৈ সক্ষম হৈছে। অষ্টম অধ্যায়তো তেওঁ কলিকতাত শিক্ষা গ্ৰহণৰ সময়ত হোৱা বিভিন্ন ঘটনা-পৰিঘটনা, দেশী-বিদেশী সাহিত্যৰ প্ৰভাৱতে তেওঁৰ মনলৈ অনা পৰিৱৰ্তন আদিৰ বিৱৰণেৰে ৰচনা কৰিছে আৰু এই অধ্যায়টোৰেই মোৰ জীৱন সোঁৱৰণৰ প্ৰথম পৰ্বটোৰো সামৰণি পৰিছে। অৱশ্যে তেওঁৰ কলিকতীয়া শিক্ষাজীৱনৰ জেৰ টানি সুসঙ্গতি ৰক্ষা কৰিয়েই দ্বিতীয় পৰ্বৰ প্ৰথম অধ্যায়ৰো আৰম্ভণি হৈছে। সেই সময়ত বি.এ. পাছ কৰাটো অসমীয়াৰ কাৰণে কিমান ডাঙৰ বিষয় আছিল সেয়া বেজবৰুৱাই নিজে 'গ্ৰেজুৱেট' হোৱাৰ প্ৰসঙ্গত উল্লেখ কৰিছে। তদুপৰি পৰৱৰ্তী সময়ত এম.এ. আৰু আইন পঢ়াৰ লগতে তেতিয়াৰ জীৱনৰ বিবিধ কথাৰে অধ্যায়টো পৰিপূৰ্ণ। বেজবৰুৱাৰ প্ৰজ্ঞাসুন্দৰীৰ সৈতে হোৱা বিবাহ আৰু পাৰিবাৰিক জীৱনৰ সৰু-ডাঙৰ অনেক অভিজ্ঞতাৰে দ্বিতীয় পৰ্বৰ দ্বিতীয় অধ্যয়টো পৰিপুষ্ট। তৃতীয় অধ্যায়ৰ গুৰুত্বপূৰ্ণ দিশ হ'ল বি.এল. আৰু এম.এ. দুয়োটা পৰীক্ষাতে বেজবৰুৱাই ফেল কৰা খবৰটো। এই ফেল কৰাৰে প্ৰতিক্ৰিয়া হ'ল চতুৰ্থ অধ্যায়টো। পঞ্চম অধ্যায়টোৰ মুখ্য বিষয় হ'ল ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা আৰু তেওঁৰ পৰিয়াল। ইয়াতেই তেওঁ

গুণাভিৰামৰ ১৮৯৪ খ্ৰীষ্টাব্দৰ ২৫ মাৰ্চ তাৰিখে মৃত্যু হোৱাৰ সংবাদো সন্নিৱিষ্ট কৰিছে। ষষ্ঠ আৰু সপ্তম অধ্যায়ৰ প্ৰধান বিষয় হ'ল ক্ৰমে ভোলানাথ বৰুৱাৰ সৈতে তেওঁ আৰম্ভ কৰা ব্যৱসায়িক জীৱন আৰু তেওঁৰ প্ৰথম সন্তান সুৰভিৰ জন্ম আৰু মৃত্যু। সুৰভিৰ মৃত্যুৱে বেজবৰুৱাৰ মনত দিয়া তীব্ৰ আঘাতৰ আবেগসিক্ত কথাখিনি সপ্তম অধ্যায়ত তেওঁ বিস্তৃতভাৱে বৰ্ণনা কৰিছে। অষ্টম, নৱম আৰু দশম অধ্যায়কেইটা তেওঁৰ ব্যৱসায়িক সমন্বয়ত সৃষ্টি কৰা হৈছে। নৱম আৰু দশম অধ্যায়ত তেওঁৰ ব্যস্ততাপূৰ্ণ আৰু ক্ৰমবৰ্ধমান ব্যৱসায়িক জীৱনৰ উপলব্ধিৰ বাবে তেওঁৰ দিনলিপি কেতবোৰৰ উল্লেখেৰে আত্মকথাৰ দ্বিতীয় পৰ্বৰ সমাপ্তি ঘটাইছে।পৰিশিষ্ট অংশত বেজবৰুৱাই 'মোৰ মৃগয়া'নামেৰে তেওঁ সম্বলপুৰত থকা বিভিন্ন ঘটনাৰ লগতে বিশেষভাৱে চিকাৰৰ অভিজ্ঞতাৰ বৰ্ণনা আগবঢ়াইছে। পৰিশিষ্টৰ আনটো অধ্যায় হ'ল 'মোৰ মাতৃমুখ দৰ্শন'। আত্মজীৱনীখনৰ এই শেষ অধ্যায়টো প্ৰবাসী বেজবৰুৱা অসমলৈ অহাৰ সময়ত তেওঁৰ মনত সৃষ্টি হোৱা আনন্দ-বিষাদৰ অনেক উপলব্ধিৰে পৰিপূৰ্ণ। অৰ্থাৎ মোৰ জীৱন সোঁৱৰণৰ প্ৰথম পৰ্বৰ প্ৰধান অৱলম্বন যিদৰে পিতৃৰ ছত্ৰছায়াত কটোৱা বেজবৰুৱাৰ শৈশৱকাল, সেইদৰে দ্বিতীয় পৰ্বৰ অৱলম্বন হ'ল কলিকতাবাসী বেজবৰুৱা আৰু পৰিশিষ্টৰ অৱলম্বন হ'ল সম্বলপুৰৰ বেজবৰুৱা।

অসমীয়া আত্মজীৱনী সাহিত্যত বেজবৰুৱাৰ *মোৰ জীৱন সোঁৱৰণ* নিঃসন্দেহে এক গুৰুত্বপূৰ্ণ আৰু সফল সংযোজন। আদি ব্ৰিটিছ যুগত হৰকান্ত শৰ্মা মজিন্দাৰ বৰুৱাই দিনলেখাত তেওঁৰ জীৱনৰ আৰু সেই সময়ৰ গুৰুত্বপূৰ্ণ কাহিনী কেতবোৰ লিপিবদ্ধ কৰিছে। পৰৱৰ্তী সময়ত ইয়াক 'সদৰামীনৰ আত্মজীৱনী' হিচাপে জনা যায় যদিও প্ৰকৃতাৰ্থত ই দৈনন্দিন ঘটনা প্ৰৱাহৰহে সমষ্টি। পৰৱৰ্তী সময়ত হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা *আত্ম জীৱন চৰিত্ৰ* তেওঁৰ জীৱন আৰু সমকালীন সমাজ সংক্ৰান্তীয় বহুখিনি গুৰুত্বপূৰ্ণ বিষয় অন্তৰ্ভুক্ত হ'লেও ই মাত্ৰ এটা প্ৰৱন্ধহে। ইয়াৰ পিছতেই অসমীয়া আত্মজীৱনী সাহিত্যৰ সবল সংযোজন হ'ল বেজবৰুৱাৰ আত্মকথাখিনি। গতিকে নিঃসন্দেহে অসমীয়া ভাষাৰ পূৰ্ণাঙ্গ আত্মজীৱনী ৰচনাৰ ক্ষেত্ৰত গ্ৰন্থখনি হৈছে বাটকটীয়া। আত্মজীৱনীৰ গুণ-বৈশিষ্ট্যৰেও ই সুন্দৰভাৱে সমৃদ্ধ কাৰণ ইয়াত বেজবৰুৱাক কোনো দ্বিতীয় ব্যক্তিৰ মাধ্যমেৰে চাব লগা হোৱা নাই। আত্মকথন ৰীতিৰে নিজকে তেওঁ উপস্থাপন কৰিছে। তদুপৰি ই বেজবৰুৱাৰ দৈনন্দিন উপলব্ধিৰ সমষ্টি নহয়। জীৱনৰ এটা মুহূৰ্তত উপনীত হৈ নিজৰ এৰি অহা দিনবোৰ তেওঁ সোঁৱৰণ কৰিছে আৰু সেই সময়ত তেওঁৰ মনত কথাবোৰে যিদৰে ধৰা দিছে সেইমতেই লিপিবদ্ধ কৰিছে। আত্মজীৱনীখনত তেওঁ নিজৰ জীৱনৰ কথাবোৰ গ্ৰহণ-বৰ্জন ৰীতিৰে পৰিৱেশন কৰিছে। তেওঁৰ দৃষ্টিত গুৰুত্বপূৰ্ণ বুলি অভিহিত কথাবোৰকে তেওঁ আত্মকথাখনত ধাৰাবাহিকভাৱে কৈ গৈছে। তেওঁৰ ব্যক্তিগত জীৱনৰ লগতে সামাজিক কথাবোৰৰো ইয়াত সুন্দৰ সন্নিৱেশ ঘটিছে। অৰ্থাৎ বেজবৰুৱাৰ সম্পূৰ্ণ আত্মনিষ্ঠ নিৰ্মিতি *মোৰ জীৱন সোঁৱৰণত* আত্মজীৱনীৰ লক্ষণ-বৈশিষ্ট্য সম্পূৰ্ণ ৰূপেই বিদ্যমান। বেজবৰুৱাৰ ব্যক্তিত্বৰ স্বৰূপ

উন্মোচনৰ সমানে সমানে সমসাময়িক সামাজিক ইতিহাসৰ অনেক গুৰুত্বপূৰ্ণ তথ্যৰে পৰিপুষ্ট হোৱা বাবে ইয়াৰ মূল্য বহু পৰিমাণে বৃদ্ধি পাইছে। আনহাতে, বেজবৰুৱাই অসামান্য দক্ষতাৰে প্ৰয়োগ কৰা হাস্যমধুৰ কৃপাবৰী ভঙ্গীয়ে ইয়াত অতি মনোৰম অসাধাৰণ ৰূপ পৰিগ্ৰহ কৰিছে। গতিকে বেজবৰুৱাৰ ব্যক্তিত্বৰ উপস্থাপন, বেজবৰুৱাকালীন সমাজৰ প্ৰকাশ বা ৰচনাভঙ্গী সকলো ফালৰ পৰাই অসমীয়া সাহিত্যৰ ই যুগজয়ী সৃষ্টি। প্ৰখ্যাত ভাষাবিদ সুনীতি কুমাৰ চেটাৰ্জীৰ মতে *মোৰ জীৱন সোঁৱৰণ* ''One of the finest books in Indian Literature.''



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ *মোৰ জীৱন সোঁৱৰণৰ* ঐতিহাসিক গুৰুত্ব কি? (১৫০টা শব্দৰ ভিতৰত)

৭.৪.২ *মোৰ জীৱন সোঁৱৰণ* ঃ সমাজ বাস্তৱতাৰ তথ্য

অসমীয়া সমাজ, সাহিত্য আৰু ভাষাৰ ইতিহাসৰ এক সন্ধিক্ষণৰ অনেক প্ৰত্যাহ্বানৰ তথ্যসমৃদ্ধ নিৰ্ভৰযোগ্য দলিল হ'ল বেজবৰুৱাৰ আত্মকথা। নিজৰ জীৱনৰ সুখ-দুখৰ মুহূৰ্তক বেজবৰুৱাই নিঃসঙ্কোচে বৰ্ণনা কৰা আত্মজীৱনীখনত সমকালীন অসমৰ সমাজ ব্যৱস্থা আদিৰ বহুতো গুৰুত্বপূৰ্ণ দিশ পোহৰলৈ আহিছে। অসমতো বাদেই সেইসময়ৰ বঙ্গৰ সাংস্কৃতিক পৰিৱেশ, মানুহৰ মানসিক, শৈক্ষিক বাতাবৰণৰ গুৰুত্বপূৰ্ণ তথ্য কেতবোৰো ইয়াত সন্নিৱিষ্ট হৈছে।

ব্যক্তি আৰু সমাজ পৰস্পৰে পৰস্পৰৰ লগত অঙ্গাঙ্গীভাৱে সম্পৰ্কিত। সেয়েহে বেজবৰুৱাই ব্যক্তিজীৱনৰ অভিজ্ঞতা উপলব্ধিবোৰ সোঁৱৰণিৰ পৰা তুলি আনি প্ৰকাশ কৰি যাওঁতেই তাৰ সমানে সমানে সমাজখনেও ইয়াত স্থান লাভ কৰিছে। প্ৰথমতেই ক'ব পাৰি প্ৰথম পৰ্বৰ প্ৰথম অধ্যায়টোৰ কথা। সেই সময়ৰ অসমৰ যাতায়াত ব্যৱস্থা কিমান পিছপৰা আছিল বা এঠাইৰ পৰা আন ঠাইলৈ যাবলৈ সকলো বিপদ নেওচি মানুহে নৌকা যাত্ৰা বাছি ল'ব লগা হৈছিল সেয়া বেজবৰুৱাৰ জন্মৰ বৰ্ণনা দিয়া কথাখিনিয়েই প্ৰমাণ কৰে। আনহাতে বেজবৰুৱাৰ এক প্ৰতিকূল পৰিৱেশত জন্ম হোৱা ঘটনাটোৱে সেই সময়ৰ মানুহৰ স্বাস্থ্য-সংক্ৰান্তীয় নিৰ্লিপ্ততাৰ দিশ কেতবোৰো ইঙ্গিত বহন কৰিছে। সন্তান জন্ম হ'লে অসমত পালন কৰা লোকাচাৰৰ বৰ্ণনাও প্ৰসঙ্গত ইয়াতে তেওঁ উল্লেখ কৰি গৈছে। আনহাতে, নৈষ্ঠিক পৰিয়ালসমূহত জন্ম পত্ৰিকাৰ গুৰুত্ব, ধৰ্মীয় উপাসনাৰ পৰিৱেশ আৰু খাদ্যাভাস সংক্ৰান্তীয় সংস্কাৰ আদিৰ তথ্যও ইয়াত সন্নিৱিষ্ট হৈছে। সমাজৰ সম্ভ্ৰান্ত পৰিয়ালবোৰ যে লগুৱা-লিকচৌ আৰু তেওঁলোকৰ অনুগ্ৰহত থকা আত্মীয়ৰে পৰিবেষ্টিত আছিল বা তেওঁলোকৰ ঘৰত যে বৰমূৰীয়াজনক

খাদ্য গ্ৰহণকে ধৰি সকলো ক্ষেত্ৰতে অতি সন্মানীয়ভাৱে ব্যৱহাৰ কৰা হৈছিল সেই কথাৰ সম্ভেদো বেজবৰুৱাৰ নিজৰ জীৱনৰ কথাখিনিৰ পৰাই বুজিব পৰা যায়। একেদৰে বেজবৰুৱাৰ মতে আতঙ্কময় হৈ পৰা তেওঁৰ স্কুলীয়া শিক্ষা গ্ৰহণৰ কথাবোৰ তৎকালীন অসমৰ শিক্ষাজগতৰ দুৰৱস্থাৰ স্পষ্ট স্বাক্ষৰ। স্ত্ৰীশিক্ষাৰ ক্ষেত্ৰত বেজবৰুৱাৰ বাল্যকালত যেনে এক যুক্তিহীন পৰম্পৰা প্ৰচলিত আছিল সেয়া তেওঁৰ পৰিণত বয়সতহে আঁতৰ হৈছিল আৰু অসমীয়া মহিলাই শিক্ষা গ্ৰহণৰ উপৰি সমাজৰ অন্যান্য কামতো অংশ ল'বলৈ আৰম্ভ কৰিছিল তাৰ তথ্যও আত্মজীৱনীখনত তেওঁ লিপিবদ্ধ কৰিছে।

শিৱসাগৰ, গুৱাহাটী আৰু কলিকতাৰ অনেক ভদ্ৰলোক, যেনে— গঙ্গা গোবিন্দ ফুকন, কমলানাথ ফুকন, গোবিন্দৰাম চৌধাৰী, শশধৰ বৰকাকতী আদিৰ জীৱন আৰু ব্যক্তিত্বৰ কথাবোৰ সুযোগ বুজি উল্লেখ কৰি যোৱাত এই সমূহ ইতিহাসৰ একোটা ডাঙৰ তথ্য হৈ ৰ'ল। গুণাভিৰাম বৰুৱাৰ সমগ্ৰ পৰিয়ালটোৰ বিভিন্ন বিষয় ইয়াত অন্তৰ্ভুক্ত হৈছে। সেইসমূহৰ মাজতো সোমাই আছে বহুতো গুৰুত্বপূৰ্ণ তথ্য। চন্দ্ৰকুমাৰ আগৰৱালা, ভোলা বৰুৱা, যতীন্দ্ৰনাথ দুৱৰাৰ জীৱনৰ কিছুমান গুৰুত্বপূৰ্ণ কথাও আত্মজীৱনীখনে ধৰি ৰাখিছে। তদুপৰি লক্ষিমপুৰত হোৱা বৈষ্ণৱ পৰম্পৰাৰ ভাওনা, শিৱসাগৰৰ বাংলা যাত্ৰাগান, ডিব্ৰুগড়ৰ থিয়েটাৰ, কলিকতাৰ নাটকৰ বৰ্ণনাবোৰেও অসমৰ সাংস্কৃতিক ইতিহাসৰ গুৰুত্বপূৰ্ণ দিশ কিছুমান বহন কৰিছে।

গ্ৰেজুৱেট হোৱাটো সেই সময়ৰ অসমীয়াৰ বাবে কিমান ডাঙৰ ঘটনা আছিল সেয়া বেজবৰুৱাই নিজৰ উদাহৰণেৰেই উল্লেখ কৰিছে। ইয়াৰ উপৰি *আসাম নিউজ, আসাম বন্ধু,* আ. ভা. উ. সা. স., *জোনাকী, বাঁহী* আদিৰ সম্পৰ্কেও বিভিন্ন তথ্য ইয়াত সন্নিৱিষ্ট হৈছে। সেই তথ্যসমূহ কেৱল সেইকালৰ প্ৰতিচ্ছবি বুলিয়েই নহয়, পৰৱৰ্তী কালৰ বাবেও যথেষ্ট আৱশ্যকীয় খবৰ।

কলিকতাৰ শৈক্ষিক পৰিৱেশ, শিক্ষা, পৰিচালনা ব্যৱস্থা বা পাঠ্যক্ৰম সংক্ৰান্ততো ঐতিহাসিক বিচাৰত গুৰুত্বপূৰ্ণ বুলি ক'ব পৰা বিভিন্ন কথা *মোৰ জীৱন সোঁৱৰণত* সন্নিৱিষ্ট হৈছে। তদুপৰি বঙ্গদেশত সেই সময়ত ল'ৰাই প্ৰাপ্তবয়স্ক নৌহওতেই বিয়া পতা, শহুৰেক বা শাহুৰেকৰ পৰা ল'ৰাই যৌতুক বা 'পণ' দাবী কৰা, তেওঁলোকৰ ৰীতি-নীতি, ঘৰ-দুৱাৰ, শিক্ষা, খাদ্যাভাস, মানসিকতা আদি বঙ্গীয় সামাজিক জীৱনৰ অনেক দিশ আত্মকথাখনিত প্ৰকাশ পাইছে। বিশেষকৈ জোড়াসাঁকোৰ প্ৰখ্যাত ঠাকুৰ পৰিয়ালৰ কথাবোৰ এই ক্ষেত্ৰত বিশেষভাৱে গুৰুত্বপূৰ্ণ। মুঠতে অসম আৰু বঙ্গৰ সমাজ আৰু মানুহৰ বিবিধ বৰ্ণনা সন্নিৱিষ্ট ৰেজবৰুৱাৰ *মোৰ জীৱন সোঁৱৰণ* কেৱল এজন ব্যক্তিৰ ব্যক্তিগত জীৱনৰ কথা মাত্ৰ নহয়, ই এটা বিশেষ সময়ৰ বিশেষ অৱস্থাৰ প্ৰামাণ্য দলিল। ৰবীন্দ্ৰনাথ ঠাকুৰৰ *জীৱন-স্মৃতি* যিদৰে ভাৰতীয় আত্মকথনমূলক সাহিত্যৰ উল্লেখনীয় কীৰ্তিস্তম্ভ, সেইদৰে বেজবৰুৱাৰ *মোৰ জীৱন সোঁৱৰণো* এক মনোৰম আহ্লাদপূৰ্ণ, তথ্যসমৃদ্ধ সৃষ্টিকৰ্ম।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ বেজবৰুৱাৰ আত্মজীৱনী *মোৰ জীৱন সোঁৱৰণত* সমসাময়িক অসমীয়া সমাজৰ কি কি চিত্ৰ ফুটি উঠিছে?

(১৫০টা শব্দৰ ভিতৰত)

৭.৪.৩ *মোৰ জীৱন সোঁৱৰণ* ঃ হাস্য-ব্যঙ্গ

অসমীয়া সাহিত্যৰ প্ৰায়বোৰ ক্ষেত্ৰতে অৱিহণা যোগোৱাৰ লগতে ৰূপান্তৰকাৰী সাহিত্যিক আন্দোলনৰ গুৰি ধৰাৰ বাবে বেজবৰুৱা যিদৰে 'সাহিত্যৰথী', সেইদৰে লঘু ৰচনাতো বাদেই গহীন ৰচনাতো হাঁহিৰ ৰহঘৰা সৃষ্টি কৰিব পৰা বাবেই তেওঁ হ'ল 'ৰসৰাজ'। প্ৰকৃতাৰ্থত হাস্য-ব্যঙ্গ কেৱল বেজবৰুৱাৰ সাহিত্যৰেই বৈশিষ্ট্য নহয়, ই তেওঁৰ ব্যক্তিত্বৰ অন্তৰ্নিহিত গুণ, মজ্জাগত বিষয়। সেয়েহে য'তেই বেজবৰুৱাৰ উপস্থিতি তাতেই হাস্য, তাতেই ব্যঙ্গ। বেজবৰুৱাৰ *মোৰ জীৱন সোঁৱৰণৰ* বিষয়গত বিভিন্ন দিশসমূহ যিমান গুৰুত্বপূৰ্ণ ইয়াত সংপৃক্ত হৈ থকা হাস্য-ব্যঙ্গৰ দিশটোও সমানেই গুৰুত্বপূৰ্ণ। সদায়েই ছাঁৰ দৰে বেজবৰুৱাৰ স্বভাৱত লাগি থকা আকৰ্ষণীয় হাস্য-ব্যঙ্গই তেওঁৰ আত্ম কথাত বিভিন্ন সময়ত বিভিন্ন ধৰণে প্ৰকাশ লাভ কৰিছে। উদাহৰণস্বৰূপে এই ক্ষেত্ৰত প্ৰথমেই আঙুলিয়াব পাৰি আত্মজীৱনীখনৰ আৰম্ভণিতেই সন্নিৱিষ্ট কৰা নিজৰ জন্ম সম্বন্ধে নিজে ভাবি সাজিলৈ ব্যৱহাৰ কৰা কথাখিনিলৈ। 'অন্নাসুৰ ধ্বংস' কৰিবলৈ জন্ম হোৱা বেজবৰুৱাৰ এই বৰ্ণনাখিনিয়ে নিৰ্মল হাস্যৰ খোৰাক যোগায়। কোনো মানুহেই নিজৰ জন্ম-চন নিজৰ স্মৃতিৰে জনা সম্ভৱ নহয়। পৰৱৰ্তী কালত আনৰ পৰাই সেয়া জানি বুজি ল'ব লগা হয়। কিন্তু বেজবৰুৱাই তাকে প্ৰকাশ কৰিবলৈ গৈ তেওঁৰ স্বভাৱসিদ্ধ ৰীতিৰে যি বৰ্ণনা আগবঢ়াইছে সি অতি উপভোগ্য। দেউতাকৰ লগে লগে পৰিয়ালৰ লোকসকল ইঠাইৰ পৰা সিঠাইলৈ ঘূৰি ফুৰা, নৌকা যাত্ৰাত পোৱা পহুজনী মাইকী হোৱা বাবেই খাবলৈ নোপোৱা, ৰবিকাকাৰ মূৰৰ পকা চুলিৰ বিৰুদ্ধে ফকৰা ৰচনা কৰা, ডাঙৰীয়া দীননাথক গোচৰ দিয়াৰ আগতে ৰবিকাকাৰ গাত ফুটি উঠা শাৰীৰিক লক্ষণ আদি বিষয়বোৰ বিশেষ একো আচৰিত বা ডাঙৰ ঘটনা নহয় যদিও তাকেই আত্মজীৱনীকাৰে এনেভাৱে উপস্থাপন কৰিছে যে এইবোৰৰ মাজেদি হাস্যৰসেৰে সৈতে চমৎকাৰ ৰূপত প্ৰকাশ লাভ কৰিছে। অৰ্থাৎ সাধাৰণ কথাকো বৰ্ণনাচাতুৰ্যৰে অসাধাৰণ কৰি গভীৰ হাস্য-ব্যঙ্গৰ সৃষ্টি কৰিব পাৰে। শৈশৱত লক্ষীমপুৰত থকা কালত সত্ৰৰ ভকতে ভাওনা কৰি যোৱাৰ এবছৰলৈকে তেওঁলোকৰ মন-প্ৰাণ ভাওনাই গ্ৰাস কৰি ৰাখিছিল আৰু ককায়েকৰ সৈতে মিলি যেতিয়াই সুবিধা পাইছিল বচন মাতি মাতি ভাওনাৰ অনুকৰণ কৰিছিল। এই বৰ্ণনাসমূহ হাস্য-ব্যঙ্গৰ সুন্দৰ নিদৰ্শন। একেদৰে সেই

সময়ত তেওঁ গুদু খেলা সম্পৰ্কে দিয়া বৰ্ণনাখিনিৰ কথাও ক'ব পৰা যায়। আত্মজীৱনীখনৰ অনেক ঠাইত এনে উদাহৰণ উভৈনদী।

বেজবৰুৱাই দুখ লগা বা ভয়লগা কথা একোটাকো দুখ বা ভয়ৰ উৎস নকৰি হাঁহিৰ মাধ্যম কৰিব পাৰে। হাঁহিব লগা বিষয় নোহোৱা সত্ত্বেও পাঠকক হুঁহুৱাব পৰাটো তেওঁৰ হাস্য-ব্যঙ্গৰ বিস্ময়জনক দিশ। উদাহৰণ স্বৰূপে লক্ষ্মীনাথৰ অতি মৰমৰ সুতুলিটো ককাকে ভাঙি পেলোৱাটো তেওঁৰ বাবে অতি বেদনাদায়ক কথা। কিন্তু তাক তেওঁ এনেকৈ উপস্থাপন কৰিলে যে তাৰ মাজেদি ব্যঞ্জিত হৈ উঠিল তীব্ৰ হাস্য-ব্যঙ্গ। এইদৰে গুৱাহাটীত প্ৰথম স্কুলীয়া শিক্ষা গ্ৰহণৰ সময়ত ভয়-চিন্তাই চেপি ধৰা বেজবৰুৱাৰ অৱস্থা বা অঙ্কত তেওঁ পাৱদৰ্শী নোহোৱা বাবে শিক্ষকৰ সন্মুখীন হওঁতে সৃষ্টি হোৱা পৰিস্থিতিৰ বৰ্ণনাৰ কথাও এই প্ৰসঙ্গত ক'ব পৰা যায়। বেজবৰুৱাই নিজৰ অপাৱগতা-অক্ষমতাকো মানুহৰ আগত উদঙাই দি তাক যে হাঁহিৰ খোৰাক যোগাব পৰা বিষয় কৰিবলৈ কুণ্ঠাবোধ নকৰে আত্মজীৱনীৰ বহুকেইটা অধ্যায়ৰ বিভিন্ন বৰ্ণনাই তাৰ স্পষ্ট প্ৰমাণ দাঙি ধৰে। *মোৰ জীৱন সোঁৱৰণৰ* এনে ব্যঙ্গাত্মক কথাবোৰত কোনো কোনো ঠাইত সমালোচনামূলক শ্লেষ আছে যদিও কোনো কোনো অংশত আছে নিৰ্মল হাস্য। বেজবৰুৱাৰ আত্মকথাৰ পৰা তেওঁ প্ৰয়োগ কৰা হাস্য-ব্যঙ্গৰ নমুনা তুলি ধৰা হ'ল— "সিহঁতে পদ্য মাতিলে ময়ো যেতিয়া সিহঁতেৰে সৈতে সমানে সেই পদ্য মাতি বা সিহঁতে মাতোতে লৰি আগবাঢ়ি কাউণ্টাৰফায়াৰেৰে (Counterfire) অৰ্থাৎ প্ৰত্যাগ্নিৰে পদ্যাগ্নি নুমাবলৈ ধৰিলোঁ, আমাৰ ভিতৰত সংঘটিত পদ্য যুদ্ধখন স্থগিত হৈ শান্তি স্থাপিত হ'ল। কিন্তু কুইনিনে হেঁচা মাৰি ৰখা মেলেৰীয়া জ্বৰৰ নিচিনাকৈ সোনকালে সি আন আকাৰেৰে দেখা দিবলৈ সৰহ দিন নালাগিব।"

সেইদৰে— "মই বি.এল. পৰীক্ষাত স-সন্মানে ফেল মাৰিলোঁ। বি.এল. পৰীক্ষাত ঘটা বিৱৰণ আজি নিদি আগৰ অধ্যায়টোলৈ থলো। কিন্তু এম.এ. পৰীক্ষাৰ কথাটো আজিৰ অধ্যায়তে কৈ থওঁ; কাৰণ দুইটা পৰীক্ষা সম্বন্ধত শালপতিয়েক বুলিব পাৰি। বি.এল.ৰ পিছত এম.এ. দিবলৈকো পৰীক্ষাৰ ঘৰত মই বহিছিলোঁও; একে গছৰ পাণ, সি কয় হ'ব আন— তাতো সসন্মানে ফেল"

আকৌ— "মোৰ হাতত বন্দুক দেখি প্ৰথমতে চোৰ-সংঘ সশঙ্কিত হ'ল; আৰু সিহঁতে সিহঁতৰ অভিনয়, বন্ধ নহয়, স্থগিত কৰি, বন্দুকধাৰী গিৰিহঁতৰ আলেখ লেখ চাবলৈ ধৰিলে। দুদিন চাৰিদিনৰ মূৰতে তীক্ষ্ণ বুদ্ধিসম্পন্ন ভৃত্যমণ্ডলীৰ আৰু বুজিবলৈ বাকী নাথাকিল যে হৰিণাৰ মূৰত প্ৰকাণ্ড শিং যেনে সিহঁতৰ গৰাকীৰ হাঁততো বিভীষণ বন্দুক তেনে।... ...ফলত স্থগিত নাটকৰ পুনৰাভিনয় মহাসমাৰোহেৰে চলিল।"

৭.৪.৪ বেজবৰুৱাৰ গদ্যৰীতি

গদ্যৰ বিবিধ উপাদানসমূহৰ সহযোগত লেখকে যি ধৰণে ভাব প্ৰকাশ কৰে সেই ভাব প্ৰকাশৰ ধৰণ বা ৰচনাৰীতিয়েই হৈছে গদ্যৰীতি। ইংৰাজী 'style' শব্দৰ সম্পূৰ্ণ অৰ্থ 'ৰচনাৰীতি' শব্দই প্ৰকাশ কৰিব নোৱাৰে যদিও সচৰাচৰ আমি 'style' বুজাবলৈ 'ৰচনাৰীতি', 'গদ্যৰীতি' আদি শব্দকে ব্যৱহাৰ কৰোঁ। গদ্য ৰচনা কৰোঁতে ব্যক্তিৰ পাৰদৰ্শিতা অধ্যয়ন, উদ্দেশ্য, অভিৰুচি আৰু ব্যক্তিত্বৰ পাৰ্থক্যৰ বাবে বিভিন্ন লেখকৰ হাতত গদ্য সুকীয় সুকীয়া বৈশিষ্ট্যসম্পন্ন ৰূপত গঢ় লৈ উঠে। অৰ্থাৎ লেখক ভেদে গদ্যৰীতিৰ মাজত পাৰ্থক্য সৃষ্টি হয়। বেজবৰুৱাৰ গদ্যৰীতি অসমীয়া গদ্যৰীতিৰ ইতিহাসত আজিও একক আৰু অনন্য। বিষয়বস্তুৰ লগত সঙ্গতি ৰাখি প্ৰয়োগ কৰা ভিন্নধৰ্মী আকৰ্ষণীয় প্ৰকাশভঙ্গী, নিভাঁজ অসমীয়া জতুৱা ঠাঁচ, বৈশিষ্ট্যপূৰ্ণ ভাষাৰীতি আৰু চাতুৰ্যপূৰ্ণ কলা-কৌশলৰ বাবে বেজবৰুৱাৰ গদ্যৰীতিয়ে নিজস্ব ব্যতিক্ৰমী ৰূপ পৰিগ্ৰহ কৰিছে।

লক্ষ্মীনাথ বেজবৰুৱাৰ গদ্য সাহিত্যৰাজিৰ ৰূপ ইমান বৈচিত্ৰ্যপূৰ্ণ যে সমগ্ৰ ৰচনাৰাজিৰ মাজত একে গদ্যৰীতিৰে প্ৰকাশ ঘটিছে বুলি ক'ব পৰা নাযায়। তেওঁৰ তত্ত্বমূলক পুথিৰ গদ্যৰ ৰূপত যিদৰে বিশিষ্ট দিশ ফুটি উঠে, ঠিক সেইদৰে ব্যঙ্গ সাহিত্যৰ গদ্যৰো এক নিজস্ব ভঙ্গী লক্ষ্য কৰা যায়। কিন্তু পাৰ্থক্য থাকিলেও বেজবৰুৱাৰ সমগ্ৰ সাহিত্যৰাজিৰ গদ্যৰ ক্ষেত্ৰত এটা দিশত সমৰূপতা বিৰাজমান। সেইটো হৈছে অসমীয়া ভাষাৰ বিশুদ্ধ জতুৱা ঠাঁচ আৰু নিভাঁজ শব্দৰ ব্যৱহাৰ। তদুপৰি গহীন আৰু তত্ত্বমূলক গ্ৰন্থকেইখনক বাদ দি আন সকলোবোৰৰে গদ্যৰীতিৰ আন এক সমধৰ্মী বৈশিষ্ট্য হ'ল ব্যঙ্গৰূপ ভঙ্গীৰ প্ৰয়োগ। বেজবৰুৱাৰ গদ্যই অপৰূপ ভাষাশৈলী আৰু প্ৰকাশভঙ্গীৰ সহযোগত কিদৰে সাৰ্থকতা লাভ কৰিছে সেয়া তেওঁৰ গদ্যৰীতিৰ বিশেষত্বৰ জৰিয়তে উপলব্ধি কৰিব পৰা যায়।

- *শব্দচয়ন ঃ* ভাল গদ্যৰ বাবে উপযুক্ত শব্দ ব্যৱহাৰ হ'ল এটি প্ৰয়োজনীয় বিষয়। বেজবৰুৱাৰ গদ্যলৈ লক্ষ্য কৰিলে দেখা যায় যে সততে নিভাঁজ জতুৱা শব্দকে প্ৰাধান্য দিলেও তেওঁ কিন্তু ৰক্ষণশীল নহয়। বিষয়সঙ্গতি ৰক্ষা কৰি সংস্কৃত, ইংৰাজী, হিন্দী, বাংলা আদি শব্দবো তেওঁ মুকলি ব্যৱহাৰ কৰিছে। তেওঁৰ গদ্যৰ মূল অবয়বটো ঢকাডিঙৰা, ঘুগুলা পচলা, ওফোন্দা গালি, কটঙা আদি নিভাঁজ জতুৱা শব্দৰে নিৰ্মিত যদিও super-sense, reformer, intension, dreamer আদি অনেক ইংৰাজী শব্দ তেওঁ এনেকুৱা স্থানত ব্যৱহাৰ কৰিছে যে সেইসমূহ বিষয়ৰ সঠিক উপলব্ধিৰ বাবে পাঠকৰ যথেষ্ট সহায়কহে হৈছে।ব্যঙ্গ সাহিত্যত অৱশ্যে ব্যঙ্গ সৃষ্টিৰ মাধ্যম হিচাপে ইংৰাজীৰ উপৰি হিন্দী, সংস্কৃত আদি শব্দকো তেওঁ উদ্দেশ্য প্ৰণোদিতভাৱেই ব্যৱহাৰ কৰিছে। বেজবৰুৱাৰ গদ্যত ব্যতিক্ৰমী জতুৱা

বিশেষণ শব্দবোৰ ব্যাপক ব্যৱহাৰ দেখা যায়। নোকোহা ভুল, পখিলা ল'ৰা, ভমকাফুলীয়া আকাশ, কটাৰীনলীয়া মানুহ আদি শব্দবোৰ ইয়াৰ নিদৰ্শন। ইয়াৰ উপৰি বেজবৰুৱাই নিজাকৈ সাজি বা ইংৰাজীৰ পৰা ৰূপান্তৰ কৰিও কিছু সংখ্যক শব্দ সমাৱেশ কৰা দেখা গৈছে। এইসমূহ বেজবৰুৱাৰ প্ৰতিভা আৰু দক্ষতাৰ স্পষ্ট স্বাক্ষৰ। সুকৌশলী বেজবৰুৱাৰ আধ্যাত্মিক বিষয় সম্বলিত গ্ৰন্থত যিদৰে সংস্কৃত শব্দৰ প্ৰাচুৰ্য, সেইদৰে শিশু সাহিত্যৰাজিত বিভক্তিবাচক আৰু ধন্যাত্মক শব্দৰ সুন্দৰ সমাহাৰ। এনেদৰে বিভিন্ন উৎসৰ বিভিন্ন ধৰণৰ শব্দ বিষয় ব্যৱহাৰ অনুকূলে ব্যৱহাৰ কৰাত তেওঁৰ গদ্যই সমৃদ্ধি আৰু বৈচিত্ৰ্য অৰ্জন কৰিছে আৰু ই হৈছে তেওঁৰ গদ্যৰ সফলতাৰ অন্যতম উপাদান আৰু প্ৰধান আকৰ্ষণ।

- *বাক্যৰীতি ঃ* সবল বাক্য হৈছে ভাল গদ্যৰ বাবে অন্যতম প্ৰধান উপকৰণ। লক্ষ্মীনাথ বেজবৰুৱাই বাক্য গঠন কৰোঁতে সদায়েই ভাবৰ সুন্দৰ, স্পষ্ট আৰু উপভোগ্য প্ৰকাশৰ ওপৰতে বেছি গুৰুত্ব প্ৰদান কৰিছে। প্ৰয়োজনবোধে সৰল, জটিল, যৌগিক, অথবা চুটি, দীঘল আদি বিবিধ বাক্য উপযুক্তভাৱে ব্যৱহাৰ কৰাত তেওঁৰ পাৰদৰ্শিতা যথেষ্ট। বিষয়বস্তু সাৱলীলভাৱে দাঙি ধৰিবলৈ যি ধৰণৰ বাক্যৰে প্ৰয়োজন অনুভৱ কৰিছে সেইমতেই তেওঁ বাক্য ৰচনা কৰিছে। কেতিয়াবা বক্তব্যৰ স্পষ্টীকৰণৰ বাবে পুৰণি সাহিত্যৰ পদ সংস্কৃত আৰু ইংৰাজীৰ অংশ আদি সংযুক্ত কৰিও তেওঁ বাক্য গঠন কৰা দেখা গৈছে। এনেদৰে ভিন্ন ভঙ্গীৰে বাক্যৰচনা কৰাত পৌনঃপুনিক ৰীতি ভঙ্গী হোৱাৰ বাবে যি পাঠকৰ বাবেও মনোগ্ৰাহী হৈ উঠিছে। সেইদৰে মনৰ আক্ষেপ, আৱেগ, অনুভৱ ব্যক্ত কৰিবলৈ গৈ প্ৰশ্নবোধক আৰু ভাববোধক বাক্যৰ সহায় লোৱাত এইসমূহে লেখকৰ অন্তৰৰ অনুভূতি সাৰ্থক আৰু সুন্দৰভাৱে উদঙাই দেখুৱাবলৈ সক্ষম হৈছে। এনে বিভিন্ন বাক্যই বেজবৰুৱাৰ গদ্যক অতি বৈচিত্ৰ্যপূৰ্ণ কৰি তুলিলেও তেওঁৰ বাক্য ব্যৱহাৰৰ প্ৰধান চকুত লগা আৰু মনোৰম বৈশিষ্ট্য হ'ল নিভাঁজ জতুৱা ঠাঁচৰ প্ৰয়োগ। অসমীয়া ভাষাৰ নিজা ঠাঁচ আৰু ৰীতি ইমান সুন্দৰভাৱে বেজবৰুৱাৰ গদ্যত সংৰক্ষিত হৈছে যে ই তেওঁৰ ৰচনাক মহত্ব প্ৰদান কৰাৰ উপৰি সমগ্ৰ জাতি আৰু ভাষাৰে বিৰাট কল্যাণ সাধন কৰিলে।

অনুচ্ছেদ, লয়, অলঙ্কাৰ, প্ৰবচন, গদ্যৰ সফলতাৰ বাবে সুপৰিকল্পিত আৰু সুসংবদ্ধ অনুচ্ছেদ ৰচনাও এটি প্ৰয়োজনীয় বিষয়, কাৰণ বাক্যৰ মাজত অন্তৰ্নিহিত ক্ষুদ্ৰ ক্ষুদ্ৰ ভাবৰ অংশবোৰক সংগঠিত ৰূপত দাঙি ধৰিব পাৰে অনুচ্ছেদেহে। বেজবৰুৱাৰ গদ্যত অনুচ্ছেদ ৰচনাৰ ক্ষেত্ৰত সুসংবদ্ধতা পৰিলক্ষিত হয়। বিষয় অনুকূলে বিভিন্ন দৈৰ্ঘৰ অনুচ্ছেদ ব্যৱহাৰ কৰা বেজবৰুৱাই সততে ভাবসঙ্গতি ৰক্ষা কৰিয়েই ক্ৰমে ক্ৰমে এইসমূহ সন্নিবেশ কৰিছে।

লয় যদিও প্ৰধানকৈ গদ্যৰহে উপকৰণ, কিন্তু স্বাভাৱিক আৰু স্বতঃস্ফূৰ্তভাৱে বাক্যত যদি এই লয় অনুৰণিত হয় তেন্তে সেয়া গদ্যৰ বাবে হৈ পৰে মহৎ গুণ।

বেজবৰুৱাৰ চিন্তামূলক আৰু সৃষ্টিশীল উভয় শ্ৰেণীৰ গদ্যতে ঠায়ে ঠায়ে সুন্দৰভাৱে লয়ৰ প্ৰকাশ দেখা যায়। বেজবৰুৱাৰ হাতত লয়যুক্ত গদ্যৰীতিৰ সাৰ্থক প্ৰকাশ ঘটিছে। তদুপৰি ব্যঙ্গসাহিত্যত হাস্যৰসৰ মাধ্যম হিচাপেও লয়যুক্ত বাক্যও ব্যৱহাৰ কৰিছে।

অলংকাৰৰ সাৰ্থক প্ৰয়োগত সাহিত্যৰ সৌন্দৰ্য আৰু মাধুৰ্য বৃদ্ধি পায়। বেজবৰুৱাই তেওঁৰ সকলো শ্ৰেণীৰ ৰচনাতে ব্যাপকভাৱে আৰু সাৰ্থক ৰূপত অলঙ্কাৰৰ প্ৰয়োগ কৰিছে। অলঙ্কাৰে সমৃদ্ধি প্ৰদান কৰা বেজবৰুৱাৰ গদ্যৰ আন এটি লক্ষ্যণীয় দিশ হ'ল খণ্ডবাক্য, প্ৰবচন আদিৰ ব্যৱহাৰ। ব্যঙ্গ ৰচনা, শিশু সাহিত্যৰ পৰা আৰম্ভ কৰি তত্ত্বমূলক পুথিলৈকে সৰ্বত্ৰতে প্ৰয়োগ কৰা এই উপকৰণসমূহে তেওঁৰ গদ্যক সৰস আৰু আকৰ্ষণীয় কৰাৰ লগতে লেখক-ব্যক্তিত্বৰ নিভাঁজ অসমীয়া মনটোকো উদঙাই দেখুৱাইছে।

গদ্যৰীতিৰ বিশ্লেষণত প্ৰকাশভঙ্গীৰ স্থান অতি গুৰুত্বপূৰ্ণ, কাৰণ গহীন প্ৰবন্ধ এটাৰ ভঙ্গী আৰু শিশু সাহিত্যৰ প্ৰকাশভঙ্গী কেতিয়াও একে নহয়। সেইদৰে নাটক, গল্প আদিৰ প্ৰকাশভঙ্গীৰো নিজস্ব বৈশিষ্ট্য আছে। সাহিত্যৰ প্ৰায় প্ৰতিটো ক্ষেত্ৰতে প্ৰবেশ কৰা বেজবৰুৱাৰ গদ্যৰ প্ৰকাশভঙ্গীয়ে অনেক ক্ষেত্ৰতে মহত্ব লাভ কৰিছে। উদাহৰণ স্বৰূপে, তেওঁ নীতিমূলক পুথিখনত ভাষাৰ অলপো জটিলতা সৃষ্টি নকৰি অতি পোনপটীয়াভাৱে জীৱনৰ সাৰগৰ্ভ কথাবোৰ পাঠকৰ অবগত কৰিছে। সেইদৰে গুৰুগম্ভীৰ তত্ত্বপূৰ্ণ গ্ৰন্থকেইখনত আধ্যাত্মিক ভাবৰ গ্ৰন্থ আদিৰ পৰা উদ্ধৃতি দি গাম্ভীৰ্যপূৰ্ণ ভাষাৰে অথচ সহজ ব্যাখ্যাৰে প্ৰকাশ কৰিবলৈ সমৰ্থ হৈছে। তত্ত্বমূলক আৰু নীতিমূলক এই দুয়ো শ্ৰেণীৰ ৰচনাতে বেজবৰুৱাৰ গদ্য সংহত অথচ স্পষ্ট আৰু সহজবোধ্য। তেওঁৰ গহীন নাটককেইখনত বুৰঞ্জীৰ সত্যৰ অপলাপ নকৰাকৈও ৰসপূৰ্ণ ৰূপত কাহিনী উপস্থাপনৰ লগতে উৎকণ্ঠা সৃষ্টিতো তেওঁ সফল হৈছে। চৰিত্ৰসমূহৰ প্ৰকৃতিৰ লগত সামঞ্জস্য ৰক্ষা কৰি সংলাপ সন্নিবেশ কৰিব পৰাটো এই ক্ষেত্ৰত তেওঁৰ এক প্ৰধান দক্ষতা। বেজবৰুৱাৰ গল্প-উপন্যাসতো প্ৰাকৃতিক পৰিৱেশৰ চিত্ৰৱৎ সজীৱ ৰূপায়ণ, চৰিত্ৰৰ ৰূপ সৌন্দৰ্যৰ বৰ্ণনা, সুন্দৰ কল্পনাৰ প্ৰয়োগ, ঠায়ে ঠায়ে হাস্যৰস সৃষ্টি আদিয়ে তেওঁৰ গদ্যক সবল আৰু আকৰ্ষণীয় কৰি তুলিছে। বেজবৰুৱাৰ এনেবোৰ গদ্যৰ প্ৰকাশভঙ্গীয়ে লেখকৰ উচ্চ কল্পনাশক্তি, সূক্ষ্ম দৃষ্টি, অনুভূতিশীল মন আৰু সুন্দৰ ভাষা জ্ঞানৰ পৰিচয় দাঙি ধৰিছে।

ব্যঙ্গাত্মক প্ৰকাশভঙ্গী বেজবৰুৱাৰ গদ্যৰ এক প্ৰধান বৈশিষ্ট্য। গহীন তত্ত্বমূলক, নীতিমূলক ৰচনা আৰু বুৰঞ্জীক বাদ দি তেওঁৰ সকলো শ্ৰেণীৰ সাহিত্যৰ ই সাৰ্বজনীন গুণ। কেতিয়াবা কেৱল বিষয়বস্তুৰ জৰিয়তে হাস্যৰ প্ৰকাশ ঘটিছে যদিও অধিক ক্ষেত্ৰতে তেওঁ ভাষাৰ চাতুৰ্য; যেনে— শব্দৰ অপভ্ৰংশ, পুনৰুক্তি আদিৰ জৰিয়তে কেতিয়াবা পত্ৰভঙ্গী, কেতিয়াবা বক্তব্যৰ ওলোটা প্ৰকাশ, কেতিয়াবা সূত্ৰৰ ভঙ্গী, কেতিয়াবা হাস্যমধুৰ তুলনা আদিৰে ব্যঙ্গ সৃষ্টি কৰিছে।

বেজবৰুৱাৰ শিশুসাহিত্যৰ প্ৰকাশভঙ্গীও এনেকুৱা মনোৰম আৰু উৎকণ্ঠা-উদ্বেগকাৰী যে এইসমূহে শিশুতো বাদেই যিকোনো বয়সৰ লোককে মন্ত্ৰমুগ্ধ কৰি ধৰি ৰাখিব পাৰে। চুটি চুটি বাক্যৰে অতি ক্ষীপ্ৰ গতিৰে তেওঁ সাধুত কাহিনীবোৰ বৰ্ণনা কৰিছে। সাধুবোৰ পঢ়ি যাওঁতে পাঠকৰ অনুভৱ হয় যে সেইবোৰ যেন কোনোবাই কৈহে গৈছে। সুন্দৰ আৰম্ভণি, আকৰ্ষণীয় কথোপকথনৰ সন্নিৱেশ, সৰল ভাষা, বিষয়বস্তুৰ ৰসাল অথচ বিশ্বাসযোগ্য উপস্থাপন আদিৰ জৰিয়তে বেজবৰুৱাই শিশু সাহিত্যৰ ক্ষেত্ৰত এক উন্নত গদ্যৰীতিৰ পৰিচয় দাঙি ধৰিছে।

চুটিগল্পত ঠায়ে ঠায়ে বক্তৃতাধৰ্মীভাৱে আদৰ্শ ঘোষণা, উপন্যাসত কোনো কোনো সময়ত সৌন্দৰ্যহীন নিস্তেজ বৰ্ণনা, নাটকত প্ৰয়োজনতকৈ দীঘল আমনিদায়ক সংলাপ সন্নিবেশ, ব্যঙ্গ সাহিত্যত কোনো সময়ত তৰল হাস্য প্ৰয়োগ আদি কিছু দোষ-দুৰ্বলতা বেজবৰুৱাৰ প্ৰকাশভঙ্গীৰ নিশ্চয় আছে। কিন্তু এইসমূহক অতিক্ৰম কৰিও ই যথেষ্ট মহত্বপূৰ্ণ বুলি বিবেচিত হৈছে, কাৰণ বেজবৰুৱাৰ গদ্যৰীতিৰ মাজত সমগ্ৰ অসমীয়া জাতীয় জীৱন জাতীয় ভাষা প্ৰতি মূহূৰ্ততে অবিচ্ছিন্ন ৰূপত সংপৃক্ত হৈ আছে।



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ আলোচনাৰ মাজেদি আমি আধুনিক অসমীয়া সাহিত্যৰ অন্যতম পুৰোধা ব্যক্তি লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু কৃতিৰ লগত পৰিচিত হ'লোঁ।
- আত্মজীৱনীৰ স্বৰূপ কেনে আৰু অসমীয়া জীৱনী সাহিত্যৰ প্ৰেক্ষাপটত লক্ষ্মীনাথ বেজবৰুৱাৰ *মোৰ জীৱন সোঁৱৰণৰ* স্থান কেনে তাক ভালদৰে বুজি পালে।
- বেজবৰুৱাৰ আত্মজীৱনীখন সমসাময়িক অসমীয়া সমাজ জীৱনৰ মনোজ্ঞ দস্তাবেজ। বেজবৰুৱাৰ সূক্ষ্ম দৃষ্টিৰ পৰা সমাজৰ কোনো দোষ-ত্ৰুটি সাৰি যোৱা নাছিল।
- বেজবৰুৱাৰ আত্মজীৱনীখনে কেৱল যে সমসাময়িক সমাজ জীৱনৰ টুকুৰা-টুকুৰ চিত্ৰ প্ৰতিফলিত কৰিছিল এনে নহয়, বৰঞ্চ আত্মজীৱনীখনৰ প্ৰত্যেকটো অধ্যায়ে বেজবৰুৱাৰ সময়ছোৱাত দেশ, সমাজ, সাহিত্য, ৰাজনীতি আৰু সমসাময়িক ব্যক্তি মানসত ক্ৰিয়া কৰি থকা চিন্তাৰ যৎ কিঞ্চিৎ আভাস দিয়ে।
- বেজবৰুৱাই দুখ লগা বা ভয় লগা কথা একোটাকো দুখ বা ভয়ৰ উৎস নকৰি হাঁহিৰ মাধ্যম কৰিব পাৰে। হাঁহিব লগা বিষয় নোহোৱা সত্বেও পাঠকক হহুঁৱাব পৰাটো তেওঁৰ হাস্য-ব্যঙ্গৰ বিস্ময়জনক দিশ।
- বেজবৰুৱাৰ গদ্য সাহিত্যৰাজিৰ ৰূপ ইমান বৈচিত্ৰ্যপূৰ্ণ যে সমগ্ৰ ৰচনাৰাজিৰ মাজত একে গদ্যৰীতিৰে প্ৰকাশ ঘটিছে বুলি ক'ব পৰা নাযায়। কিন্তু পাৰ্থক্য থাকিলেও বেজবৰুৱাৰ সমগ্ৰ সাহিত্যৰাজিৰ গদ্যৰ ক্ষেত্ৰত এটা দিশত সমৰূপতা বিৰাজমান।

- সবল বাক্য হৈছে ভাল গদ্যৰ বাবে অন্যতম প্ৰধান উপকৰণ। বেজবৰুৱাই বাক্য গঠন কৰোঁতে সদায়েই ভাবৰ সুন্দৰ, স্পষ্ট আৰু উপভোগ্য প্ৰকাশৰ ওপৰতে বেছি গুৰুত্ব প্ৰদান কৰিছে। প্ৰয়োজনবোধে সৰল, জটিল, যৌগিক অথবা চুটি, দীঘল আদি বিবিধ বাক্য উপযুক্তভাৱে ব্যৱহাৰ কৰাত তেওঁৰ পা�ৰদৰ্শিতা যথেষ্ট।
- সামগ্ৰিকভাৱে বিচাৰ কৰিলে এই অধ্যায়টোত সাহিত্যকাৰ লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য প্ৰতিভাৰ বৰ্ণাঢ্য দিশসমূহৰ প্ৰতি দৃষ্টিপাত কৰা হৈছে। এই অধ্যায়টোৰ আলোচনাৰ মাজেদি বেজবৰুৱাৰ গদ্য, তেওঁ ৰচনাত প্ৰয়োগ কৰা শব্দ আৰু অন্যান্য দিশৰ বিষয়ে ধাৰণা লাভ কৰাত সহায়ক হ'ল।



৭.৬ অধিক জানিবলৈ

১) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

২) বৰগোহাঞি, হোমেন (সম্পা.) (২০০৪); *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য;* গুৱাহাটী ঃ বনলতা।

৩) বেজবৰুৱা, লক্ষ্মীনাথ (২০০৪); *মোৰ জীৱন সোঁৱৰণ;* গুৱাহাটী ঃ বনলতা।

৪) ভূঞা, স্মৃতিৰেখা (২০০৭); *অসমীয়া গদ্যৰীতি;* গুৱাহাটী ঃ বৃষ্টি প্ৰকাশন।

৫) শইকীয়া, চন্দ্ৰ প্ৰসাদ (সম্পা.) (১৯৬৪); *লক্ষ্মীনাথ বেজবৰুৱা;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৬) শৰ্মা, গোবিন্দ প্ৰসাদ (১৯৯৩); *জীৱনী আৰু অসমীয়া জীৱনী;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

৭) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৮) শাস্ত্ৰী, বিশ্বনাৰায়ণ (১৯৯৪); *লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য প্ৰতিভা;* গুৱাহাটী ঃ শৰাইঘাট প্ৰকাশন ।

৭.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ জন্মৰ চন, তাৰিখৰ উল্লেখ.....পিতৃ-মাতৃ আৰু বংশৰ পৰিচয়... ...ল'ৰালি কাল... ...যুবাৱস্থাৰ উল্লেখযোগ্য ঘটনাসমূহ... ...তেওঁৰ শিক্ষা জীৱন, কৰ্ম জীৱন, সাহিত্য কৃতি, তেওঁৰ মৃত্যু।

২নং প্ৰশ্নৰ উত্তৰ ঃ *মোৰ জীৱন সোঁৱৰণ*ৰ লেখক লক্ষ্মীনাথ বেজবৰুৱাৰ চমু পৰিচয়... ...আত্মজীৱনীখনৰ চমু পৰিচয়... ..সমসাময়িক সমাজৰ প্ৰেক্ষাপটত *মোৰ জীৱন*

সোঁৱৰণৰ গুৰুত্ব... ...তাত ফুটি উঠা সামাজিক দিশসমূহ... ...অসমীয়া সমাজৰ বিৱৰ্তনৰ ধাৰা আত্মজীৱনীখনৰ টুকুৰা চিত্ৰ কিছুমানৰ মাজেদি কিদৰে প্ৰতিফলিত হৈছে তাৰ উল্লেখ।

৩নং প্ৰশ্নৰ উত্তৰ ঃ *মোৰ জীৱন সোঁৱৰণৰ* লেখকৰ চমু পৰিচয়... ...আত্মজীৱনী চমু সংজ্ঞা আৰু আত্মজীৱনী হিচাপে আলোচ্য গ্ৰন্থখনৰ স্থান... ...আত্মজীৱনীখনত প্ৰতিফলিত হোৱা অসমীয়া সমাজৰ বিবিধ চিত্ৰ, যেনে— সমসাময়িক অসমীয়া সমাজ জীৱনত প্ৰচলিত বিশ্বাস আৰু পৰম্পৰাৰ উল্লেখ, অসমৰ যাতায়াত ব্যৱস্থা, স্ত্ৰী-শিক্ষাৰ প্ৰতি সমাজৰ উদাসীনতা, উঠি অহা তৰুণ প্ৰজন্মৰ অসমীয়া পাশ্চাত্য শিক্ষা লাভৰ প্ৰতি আগ্ৰহ, অসমীয়া লোকৰ মনত স্থান পোৱা অন্ধবিশ্বাস, কু-সংস্কাৰ আদিক আঁতৰাই অসমীয়া সমাজখনক নকৈ প্ৰগতিশীল আদৰ্শেৰে আগুৱাই যাবলৈ প্ৰেৰিত কৰিলে।



৭.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ আত্মজীৱনী বুলিলে কি বুজে? আত্মজীৱনীৰ বৈশিষ্ট্যসমূহৰ আধাৰত *মোৰ জীৱন সোঁৱৰণৰ* এটি বিশ্লেষণ আগবঢ়াওক।

প্ৰশ্ন ২ ঃ "বেজবৰুৱাৰ আত্মজীৱনীখন ভাৰতীয় সাহিত্যৰ এক অনবদ্য সৃষ্টি"— কথাষাৰৰ তাৎপৰ্য বিচাৰ কৰক।

প্ৰশ্ন ৩ ঃ অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগটোক কিয় 'বেজবৰুৱাৰ যুগ' বুলি কোৱা হয়? 'বেজবৰুৱাৰ যুগ' কথাষাৰৰ সাৰ্থকতা বিচাৰ কৰক।

প্ৰশ্ন ৪ ঃ বেজবৰুৱাৰ অভ্ৰভেদী ব্যক্তিত্ব আৰু সাহিত্যৰ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৫ ঃ *মোৰ জীৱন সোঁৱৰণত* 'ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা'ৰ প্ৰকাশ কিদৰে ঘটিছে আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ *মোৰ জীৱন সোঁৱৰণৰ* প্ৰথম ভাগৰ প্ৰথম অধ্যায়ত বেজবৰুৱাৰ ব্যক্তিগত জীৱন আৰু সমকালীন সমাজ বাস্তৱৰ ছবি কিদৰে প্ৰতিফলিত হৈছে আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ অসমীয়া সাহিত্যৰ অনুপম সংযোজন ৰূপে বিবেচিত হোৱা বেজবৰুৱাৰ গদ্য ৰীতিৰ ৰূপ কেনে ধৰণৰ— এটি আলোচনাৰ সহায়ত দেখুৱাওক।

প্ৰশ্ন ৮ ঃ আত্মজীৱনীখনৰ প্ৰথম ভাগৰ প্ৰথম অধ্যায়টোত বেজবৰুৱাই শিশু মনোজগতৰ কোনবোৰ দিশত দৃষ্টিপাত কৰিছে— আলোচনা কৰক।

প্ৰশ্ন ৯ ঃ বেজবৰুৱাৰ এই আত্মজীৱনীখনত সমসাময়িক স্কুলীয়া শিক্ষা ব্যৱস্থাটোক কি দৰে সমালোচনা কৰা হৈছে— ব্যাখ্যা কৰক।

প্ৰশ্ন ১০ ঃ আত্মজীৱনীখনৰ প্ৰথম ভাগৰ প্ৰথম অধ্যায়ত লেখক বেজবৰুৱাৰ মানৱতাবাদী দৃষ্টিভঙ্গীৰ প্ৰকাশ কি দৰে ঘটিছে— আলোচনা কৰক।

*** ***** ***